জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১/২০২১

**অসম লোকসেৱা আয়োগে অনুষ্ঠিত কৰা ২০১৮ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ অসম অসামৰিক সেৱা আৰু ইয়াৰ সংলগ্ন সেৱাত উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়**

স্বচ্ছ প্ৰক্ৰিয়াৰে নিৰ্বাচিত মেধাসম্পন্ন প্ৰাৰ্থীসকলক প্ৰত্যক্ষ কৰি মুখ্যমন্ত্ৰীৰ মন্তব্য ঃ

# ‘আজিৰ এই ছবিখন হৈছে মূল্যবোধৰ প্ৰতিচ্ছবি’

## ভাষণে পৰিৱৰ্তন নানে, পৰিশ্ৰমেহে পৰিৱৰ্তন আনে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০১ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এক বিশেষ অনুষ্ঠানত অসম লোকসেৱা আয়োগে অনুষ্ঠিত কৰা ২০১৮ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ অসম অসামৰিক সেৱা আৰু ইয়াৰ সংলগ্ন সেৱাৰ প্ৰাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰে। ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগ তথা প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত উপস্থিত থকা প্ৰাৰ্থীসকলক প্ৰত্যক্ষ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ এই ছবিখন হৈছে মূল্যবোধৰ প্ৰতিচ্ছবি। দীৰ্ঘদিন ধৰি দুৰ্নীতিৰ পংকিলতাত নিমজ্জিত অসম লোকসেৱা আয়োগৰ সংস্কাৰ সাধনৰ পাছত সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে আয়োজিত এটা পৰীক্ষাত অৱতীৰ্ণ হৈ সম্পূৰ্ণৰূপে মেধাৰ ভিত্তিত নিৰ্বাচিত এই প্ৰাৰ্থীসকলৰ এই প্ৰতিচ্ছবিয়ে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে মূল্যবোধৰ বাণী বিয়পাই দিব। কোনো মন্ত্ৰী-বিধায়কৰ চুপাৰিচ নোহোৱাকৈ, কোনো বিষয়াক খাতিৰ কৰিব লগা নোহোৱাকৈ সম্পূৰ্ণৰূপে নিজৰ মেধা আৰু কষ্টৰ বলত প্ৰশাসনিক সেৱালৈ নিৰ্বাচিত এইসকল বিষয়া পৰৱৰ্তী প্ৰজন্মৰ বাবে আদৰ্শৰূপে পৰিগণিত হ'ব, লোকসেৱাৰ বাবে আগ্ৰহী হাজাৰ গৰাকী যুৱক-যুৱতীক উৎসাহিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ভাল কামৰ মৃত্যু নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে নৱনিৰ্বাচিত বিষয়াসকলক সম্পূৰ্ণৰূপে সেৱাৰ মনোবৃত্তিৰে নিস্বাৰ্থভাৱে কাম কৰি জীৱনটো ৰাষ্ট্ৰসেৱাৰ বাবে সম্পূৰ্ণ সমৰ্পিত কৰিবৰ বাবে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৬ চনত দুৰ্নীতিমুক্ত অসমৰ যি মহান লক্ষ্য লৈ বৰ্তমানৰ চৰকাৰখন শাসনলৈ আহিছিল সেই লক্ষ্যত উপনীত হোৱাৰ বাবে বিগত চাৰে চাৰি বছৰে অহৰ্নিশে প্ৰচেষ্টা অব্যাহত ৰাখিছে। এখন সমাজক যেতিয়া দুৰ্নীতি আৰু স্বজনপ্ৰীতিয়ে গ্ৰাস কৰে, তেতিয়া গণতন্ত্ৰৰ ভেটি চূৰমাৰ হয়। প্ৰশাসন ব্যৱস্থাৰ প্ৰতি জনগণৰ বিশ্বাস হেৰাই যায়, মূল্যবোধৰ ভেটি থুনুকা হয়। মাথো দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীক ৰঙাঘৰলৈ প্ৰেৰণ কৰাতেই দুৰ্নীতিৰ বিৰুদ্ধে যুঁজখনৰ অন্ত নপৰে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী

সোণোৱালে কয় যে দুৰ্নীতিমুক্ত অসমৰ অৰ্থ হ'ল এখন আদৰ্শ সমাজ নিৰ্মাণ প্ৰক্ৰিয়াত আত্মনিয়োগ কৰা, যিখন সমাজে নিজৰ কাম-কাজেৰে বিশ্বৰ মানৱ সমাজৰ শ্ৰদ্ধা আৰু ভক্তি আদায় কৰিবলৈ সক্ষম হয়। জাতিৰ পিতাৰ আদৰ্শৰে পক্ষপাতবিহীন, বৈষম্যহীন, নেতিবাচক কথা-বতৰাৰ স্থান নথকা এখন প্ৰকৃত 'ৰাম ৰাজ্য' প্ৰতিষ্ঠাৰ বাবে আমি সকলো প্ৰতিজ্ঞাৱদ্ধ হ'ব লাগিব বুলি উল্লেখ কৰি তেওঁ কয় যে সকলো কৰ্মক্ষেত্ৰতে জাকত জিলিকা এখন ৰাজ্য হিচাপে অসমক বিশ্বৰ সন্মুখত পৰিচিত কৰাৰ বাবে নৱবৰ্ষৰ প্ৰথম দিনটোতেই আমি সকলোৰে নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ শপত ল'ব লাগিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ শাসনৰ দায়িত্ব লৈয়ে নিজকে 'প্ৰধান সেৱক' হিচাপে পৰিচয় দিয়াৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসামৰিক সেৱালৈ নিৰ্বাচিত এই নতুন বিষয়াসকলেও নিজকে জনতাৰ সেৱক হিচাপে গণ্য কৰি সমৰ্পিত সেৱাৰ বাবে প্ৰতি মূহুৰ্ততে প্ৰস্তুত থাকিব লাগিব। স্বাৰ্থনিহিত সেৱাৰ মনোবৃত্তি পৰিহাৰ কৰি নিঃস্বাৰ্থ সেৱা প্ৰদানৰ জৰিয়তেহে জনগণৰ কল্যাণ সাধন কৰিব পৰা যাব বুলি উল্লেখ কৰি তাৰ বাবে এটা নিকা মনৰ অধিকাৰী হ'বলৈ তেওঁ নৱনিৰ্বাচিত প্ৰাৰ্থীসকললৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতিৰ এই বাক্যশাৰী নিজৰ কৰ্মজীৱনৰ প্ৰতি মূহুৰ্ততে মনত ৰাখিবলৈ প্ৰাৰ্থীসকললৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে ধনী-দুখীয়া, জাতি-ভেদৰ বৈষম্য পৰিহাৰ কৰি সকলোৰে প্ৰতি সমদৃষ্টি প্ৰদানেৰে সকলোকে প্ৰশাসনিক ব্যৱস্থাটোৰ দ্বাৰা সমানে উপকৃত কৰাৰ দিশত তেওঁলোকে সদায়ে গুৰুত্ব আৰোপ কৰিব লাগিব। নিঃস্বাৰ্থ সেৱাৰ জৰিয়তেহে আত্মসন্মান অৰ্জন কৰিব পাৰি বুলি মন্তব্য কৰি তেওঁ কয় যে আজি উপস্থিত থকা প্ৰতিগৰাকী নৱনিৰ্বাচিত প্ৰাৰ্থীৰে সেই ক্ষমতা আছে। সাধনা, একাগ্ৰতা, নিষ্ঠা আৰু সততাৰে কঠোৰ পৰিশ্ৰমৰ জৰিয়তে নিজৰ মনৰ ভিতৰত মানৱীয় গুণৰ উৎকৰ্ষ সাধন কৰি জীৱনত সকলোৰে সফলতা অৰ্জন কৰিব পাৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

নৱনিৰ্বাচিত প্ৰাৰ্থীসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয় যে ব্যৱস্থাৰ সংস্কাৰৰ বাবে আপোনালোক আজি এই সেৱাত সংযোজিত হৈছে। প্ৰশাসনৰ প্ৰতিটো পৰ্যায়তে 'নলওঁ আৰু নিদিওঁ' শব্দযুগলৰ মহা সংযোজন ঘটিলেহে আৰু ব্যৱস্থা আৰু জনতা উভয়ে এই দিশত যৌথ সংকল্প গ্ৰহণ কৰিলেহে অসম দুৰ্নীতিমুক্ত হ'ব বুলি উল্লেখ কৰি নৱনিৰ্বাচিত প্ৰাৰ্থীসকলক নিজৰ কৰ্মজীৱনৰ কোনো মূহুৰ্ততে দুৰ্নীতিক প্ৰশ্ৰয় নিদিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। দুষ্ট লোকৰ প্ৰৰোচনাত ভোল গৈ সহজে ধনী হোৱাৰ মানসিকতা নল'বলৈ আৰু কেতিয়াও বক্ৰ পথ গ্ৰহণ নকৰিবলৈ প্ৰাৰ্থীসকলৰ প্ৰতি মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। 'ভাষণে পৰিৱৰ্তন নানে, পৰিশ্ৰমেহে পৰিৱৰ্তন আনে' বুলি মন্তব্য কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ কাৰ্যালয়ৰ নিৰ্দ্ধাৰিত কৰ্মসময়ৰ সীমাৱদ্ধতা নাৰাখি প্ৰয়োজন সাপেক্ষে জনসাধাৰণৰ সেৱাৰ বাবে অতিৰিক্ত সময়ৰ সেৱাৰ বাবে প্ৰস্তুত হ'বলৈ নৱনিৰ্বাচিত প্ৰাৰ্থীসকলক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

অনুষ্ঠানত নৱনিৰ্বাচিত প্ৰাৰ্থীসকলক উদ্দেশ্যি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ উদ্ধৃতি দাঙি ধৰি কয় যে প্ৰত্যেক ব্যক্তিৰ মাজত প্ৰচ্ছন্নভাৱে দৈৱশক্তি লুকাই থাকে, মাথো আত্ম-সন্মান আৰু আত্মবিশ্বাসৰ মাধ্যমৰে এই

শক্তিক কৰ্মক্ষেত্ৰত পূৰ্ণাংগ ৰূপত প্ৰয়োগ কৰিব লাগিব। 'দৃষ্টি থাকিলে লক্ষ্য নেহেৰায়' বুলি উল্লেখ কৰি জীৱনৰ প্ৰত্যাহ্বান আৰু বিফলতাসমূহক ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰি সফলতালৈ ৰূপান্তৰৰ বাবে আমি সকলো সক্ষম বুলি তেওঁ মন্তব্য কৰে। এই প্ৰসংগত তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকন, ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালাম, নোবেল বিজয়ী মেৰিঅ' কেপেচী, মহাকাশচাৰী কল্পনা চাওলা, ঈৰা সিংঘল, অৰুণিমা সিনহা আদিৰ উদাহৰণ দাঙি ধৰে। 'ঈশ্বৰ স্বৰ্গৰ ওখ আসনত বহি নাথাকে, পিতৃ-মাতৃৰ স্নেহত ভগৱান লুকাই থাকে' বুলি উল্লেখ কৰি মিডিয়া উপদেষ্টাগৰাকীয়ে কয় যে জীৱনত সফলতা লাভৰ আঁৰত পিতৃ-মাতৃৰ কষ্ট আৰু ত্যাগ লুকাই থাকে। সেয়েহে যিমান সফলতা অৰ্জন নকৰিলেও পিতৃ-মাতৃৰ অৱিহণাৰ কথা কেতিয়াও পাহৰি নাযাবলৈ নৱনিৰ্বাচিত প্ৰাৰ্থীসকলক তেওঁ আহ্বান জনায়। মিডিয়া উপদেষ্টাগৰাকীয়ে লগতে নিজৰ কৰ্ম জীৱনত অত্যন্ত বিনয়ী হ'বলৈ প্ৰাৰ্থীসকলক আহ্বান জনায়।

অনুষ্ঠানত নৱনিৰ্বাচিত প্ৰাৰ্থীসকলৰ মাজৰ পৰা ১০ গৰাকী প্ৰাৰ্থীয়ে নিজৰ অনুভৱ আৰু অভিজ্ঞতা ব্যক্ত কৰি বক্তব্য আগবঢ়ায়। প্ৰাৰ্থীসকলে লগতে অসম লোকসেৱা আয়োগৰ সংস্কাৰ সাধনৰ জৰিয়তে এই সমগ্ৰ প্ৰক্ৰিয়াটো স্বচ্ছতা আৰু মেধাৰ ভিত্তিত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ লগতে সংশ্লিষ্ট সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰে।

কৰ্মচাৰী বিভাগ তথা প্ৰশাসনিক সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত মুখ্য সচিব জিষ্ণু বৰুৱা আৰু মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰেও নৱনিৰ্বাচিত প্ৰাৰ্থীসকলক উদ্দেশ্যি প্ৰেৰণাদায়ক বক্তব্য আগবঢ়ায়। অনুষ্ঠানত বিধায়ক ঋতুপৰ্ণ বৰুৱা, অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মমিনুল আৱাল, অসম গৃহ নিৰ্মাণ পৰিষদৰ উপাধ্যক্ষ সুভাষ দত্তকে ধৰি প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ / বঃভাঃ**
**০১-০১-২০২১**